# ৰাষ্ট্ৰপতিৰ নৰৱে ভ্ৰমণ (১৩–১৪ অক্তোৱৰ ২০১৪)

০৮ অক্তোৱৰ ২০১৪

ৰাষ্ট্ৰপতি শ্ৰী প্ৰমৱ মূখাৰ্জি ১৩ অক্তোৱৰৰ  পৰা ১৪ অক্তোৱৰ ২০১৪ লৈ ৰাষ্ট্ৰীয় ভ্ৰমণ কাৰ্য্যসূচীৰে নৰৱে লৈ যাব ।

এই ভ্ৰমণ কালত ৰাষ্ট্ৰপতি গৰাকীয়ে মহামান্য ৰজা হেৰল্ডৰ সৈতে বৈঠকত মিলিত হব আৰু ৰাজ পৰিয়ালৰ আন সদস্যৰ ভিতৰত ৰাণী সনজা,মহামান্য যুৱৰাজ হাক্কান আৰু মহামান্য যুৱৰাণী মেট্টে-মাৰিটৰ সৈতে সাক্ষাৎ কৰিব ।ৰাষ্ট্ৰপতি গৰাকীয়ে তাত প্ৰধানমন্ত্ৰী শ্ৰীমতী এৰেনা সোলবাৰ্গ আৰু স্টোৰটিং(সংসদ)প্ৰেচিডেন্ট মি: ওলিমিক থমসেনৰ সৈতেও বৈঠক অনুষ্ঠিত কৰিব ।

নৰৱে আৰু ভাৰতৰ মাজত আন্তৰিক বন্ধুত্বমুলক সম্পৰ্ক আছে ।ভাৰতৰ পৰা এইয়া পোণ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এগৰাকী ৰাষ্ট্ৰপ্ৰধানৰ ভ্ৰমণে ভাৰত আৰু নৰৱেৰ মাজত বন্ধুত্বপূৰ্ণ আৰু সহযোগিতামুলক সম্পৰ্ক আৰু অধিক বিস্তাৰিত কৰিব ।

কেন্দ্ৰীয় মন্ত্ৰী,সাংসদ সদস্য,উষ্চপদস্থ বিষয়া আৰু শিক্ষা প্ৰতিষ্ঠানৰ উষ্চপদস্থ প্ৰতিনিধি দল সহ এক উষ্চস্তৰীয় প্ৰতিনিধি দল ৰাষ্ট্ৰপতিৰ সৈতে ভ্ৰমণ কৰিব । বিজ্ঞানী আৰু উদ্যোগ ক্ষেত্ৰৰ প্ৰতিনিধিও ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ সংগী হব ।

নতুন দিল্লী, ৮ অক্তোৱৰ ২০১৪